
অধ্যায়-[illegible]

# শান্তি (Peace)



যুদ্ধ, সন্ত্ৰাসবাদী আক্ৰমণ আৰু সংঘৰ্ষৰ বিষয়ে সংবাদ মাধ্যমৰ দ্বাৰা প্ৰকাশিত মনোযোগ আকৰ্ষণকাৰী প্ৰতিবেদনসমূহে আমাক অনবৰতে সোঁৱৰাই থাকে যে আমি এক অতি অশান্ত সময়ত বাস কৰি আছো। প্ৰকৃত শান্তিক আয়ত্ত কৰিবলৈ কঠিন হ'লেও, শান্তি শব্দটো যথেষ্ট জনপ্ৰিয় হোৱা দেখা গৈছে। এই শব্দটো ৰাজনীতিবিদ, সাংবাদিক, উদ্যোগপতি, বুদ্ধিজীৱী আৰু সেনাবাহিনীৰ প্ৰধানসকলৰ মুখেৰে সঘনে নিৰ্গত হয়। পাঠ্যপুথি, সংবিধান, চনদ আৰু চুক্তি আদি দস্তাবেজসমূহত ইয়াক সযত্নে পোষণ কৰিবলগীয়া মূল্যবোধ হিচাপে উল্লেখ কৰা হয়। শান্তিৰ বাবে যিহেতু বিনাদ্বিধাই আহ্বান জনোৱা হয় আৰু শান্তি প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সাধাৰণতে কোনো প্ৰশ্ন উত্থাপন কৰা নহয়, সেইবাবে আমি ভাবিব পাৰো যে এই ধাৰণাটোৰ অৰ্থৰ কোনো ধৰণৰ স্পষ্টীকৰণৰ প্ৰয়োজন নাই। অৱশ্যে প্ৰকৃততে এয়া তেনেকুৱা নহয়। পিছলৈ আমি দেখিবলৈ পাম যে শান্তিৰ ধাৰণাটোৰ ক্ষেত্ৰত সহমত থকা যেন পৰিলক্ষিত হোৱাটো তুলনামূলকভাৱে নতুন কথা। সময় যোৱাৰ লগে লগে, শান্তিৰ অৰ্থ আৰু মূল্য বিভিন্ন ধৰণে নিৰূপণ কৰা হৈছে।

Daily Assam

শান্তিৰ প্ৰবক্তাসকল বিভিন্ন ধৰণৰ প্ৰশ্নৰ সন্মুখীন হয় ঃ

❑ প্ৰকৃততে শান্তি কি? বৰ্তমানৰ পৃথিৱীত ই ইমান দুৰ্বল কিয়?

❑ শান্তি প্ৰতিষ্ঠা কৰিবলৈ কি কৰিব পৰা যায়?

❑ শান্তি প্ৰতিষ্ঠা কৰিবলৈ আমি হিংসাত্মক পন্থা অৱলম্বন কৰিব পাৰো নে?

❑ আমাৰ সমাজত হিংসাত্মক ঘটনা বাঢ়ি অহাৰ প্ৰধান কাৰণবোৰ কি কি?

এই অধ্যায়টোত আমি এনে ধৰণৰ প্ৰশ্নবোৰ বিস্তৃতভাৱে পৰীক্ষা কৰি চাম।

## ৯·১ পৰিচয় (Introduction)

'গণতন্ত্ৰ', 'ন্যায়' আৰু 'মানৱ অধিকাৰ'ৰ দৰে 'শান্তি'ও এটা বহলভাৱে আলোচিত শব্দ হৈ পৰিছে। কিন্তু আমি মনত ৰাখিব লাগিব যে শান্তিৰ বাবে আকাংক্ষাত সহমত থকা যেন লগা কথাটো তুলনামূলকভাৱে নতুন। অতীতৰ বহুতো প্ৰতিপত্তিশালী চিন্তাবিদে শান্তিৰ বিষয়ে নেতিবাচক ধাৰণাহে প্ৰকাশ কৰি লিখিছিল।



ফ্ৰেডৰিক নীৎসে

ঊনবিংশ শতিকাৰ জাৰ্মান দাৰ্শনিক **ফ্ৰেডৰিক নীৎসে** আছিল এনে এজন যুদ্ধক মহিমামণ্ডিত কৰা ব্যক্তি। নীৎসেই শান্তিক মূল্যবান বুলি গণ্য কৰা নাছিল, কিয়নো তেওঁ বিশ্বাস কৰিছিল যে সভ্যতাৰ বিকাশত কেৱল সংঘাতেহে সহায় কৰিব পাৰে। আন বহুতো চিন্তাবিদে এনে ধৰণে শান্তিক গৰিহণা দিছিল আৰু সংঘৰ্ষক ব্যক্তিগত বীৰত্ব আৰু সামাজিক প্ৰাণশক্তিৰ বাহক হিচাপে প্ৰশংসা কৰিছিল। ইটালীৰ সামাজিক তত্ত্ববিদ (Social Theorist) **বিলফ্ৰেডো পেৰেটোৱে** (Vilfredo Pareto, 1848-1923) যুক্তি দৰ্শাইছিল যে যিবোৰ মানুহে নিজৰ লক্ষ্যত উপনীত হ'বলৈ শক্তি প্ৰয়োগ কৰিবলৈ সমৰ্থ আৰু ইচ্ছুক তেওঁলোকেই বেছিভাগ সমাজত শাসক গোষ্ঠী হিচাপে পৰিগণিত হয়। তেওঁ এনে লোকসকলক সিংহ হিচাপে অভিহিত কৰিছিল।

ইয়াৰ অৰ্থ এনে নহয় যে শান্তিৰ বাবে মাত মাতোতা কোনো নাছিল। প্ৰকৃততে, প্ৰায় সকলো ধৰ্মৰ মূল শিক্ষাসমূহত শান্তিয়ে কেন্দ্ৰীয় স্থান দখল কৰি আছিল। আধুনিক যুগতো, আধ্যাত্মিক আৰু ধৰ্ম নিৰপেক্ষ এই দুয়োটা ক্ষেত্ৰতে শান্তিৰ দৃঢ় সমৰ্থক কিছুমান দেখিবলৈ পোৱা যায়। তেওঁলোকৰ ভিতৰত মহাত্মা গান্ধীৰ নাম বিশেষভাৱে উল্লেখ

কৰিব পাৰি। অৱশ্যে, সমসাময়িক কালত শান্তিৰ প্ৰাধান্যৰ মূল কাৰণ হৈছে কুৰি শতিকাত সংঘটিত অত্যাচাৰসমূহ, যাৰ ফলত লাখ লাখ মানুহৰ মৃত্যু হৈছিল। তোমালোকে হয়তো তোমালোকৰ ইতিহাসৰ পাঠ্যপুথিত এনে কিছুমান ঘটনা, যেনে— ফেচীবাদ আৰু নাজীবাদৰ উত্থান আৰু বিশ্বযুদ্ধসমূহৰ বিষয়ে পঢ়িছা। নিজৰ ক্ষেত্ৰতো, ভাৰত আৰু পাকিস্তানত দেশ বিভাজনৰ বিভীষিকাৰ অভিজ্ঞতা লাভ কৰিছোঁ।

ওপৰত উল্লেখ কৰা বহুতো দুৰ্যোগৰ লগত আধুনিক প্ৰযুক্তি প্ৰয়োগ কৰি অভূতপূৰ্ব হাৰত প্ৰতিহিংসামূলকভাৱে ধ্বংসকাৰ্য সংঘটিত কৰা কথাও জড়িত হৈ আছে। এইদৰে, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মানীয়ে লণ্ডনত ধাৰাসাৰ বোমাবৰ্ষণ কৰিছিল আৰু প্ৰত্যুত্তৰত ব্ৰিটিছে 1000 বোমা বৰ্ষণকাৰী জাৰ্মেনীৰ নগৰসমূহত আক্ৰমণ কৰিবলৈ পঠিয়াইছিল। জাপানৰ দুখন নগৰ হিৰোশ্বিমা আৰু নাগাছাকিত আমেৰিকা যুক্তৰাষ্ট্ৰই কৰা বোমা বৰ্ষণৰ দ্বাৰা মহাসমৰৰ অন্ত পৰিছিল। এই দুটা আক্ৰমণত অন্ততঃ 1,20,000 লোক লগে লগে মৃত্যুমুখত পৰিছিল আৰু আন বহুতো লোকৰ আণৱিক তেজষ্ক্ৰিয়তাৰ বাবে পিছত মৃত্যু হৈছিল। প্ৰাণহানি হোৱা প্ৰায় 94% ভাগ লোকেই আসামৰিক আছিল।

যুদ্ধৰ পিছৰ দশকবোৰ দুটা বৃহৎ শক্তি পুঁজিবাদী আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু সাম্যবাদী ৰাষ্ট্ৰ ছোভিয়েট ৰাছিয়াৰ মাজত সমগ্ৰ বিশ্বত আধিপত্য বিস্তাৰৰ বাবে গভীৰ শত্ৰুতাৰ যুগ হিচাপে পৰিগণিত হৈছিল। সেই সময়ত যিহেতু আণৱিক অস্ত্ৰ ক্ষমতাৰ এক নতুন প্ৰতীক হিচাপে চিহ্নিত হৈছিল, সেইবাবে দুয়োখন দেশে সেইবোৰ বৃহৎ হাৰত তৈয়াৰ আৰু মজুত কৰিবলৈ আৰম্ভ কৰিছিল। 1962 চনৰ অক্টোবৰ মাহত কিউবাত হোৱা ক্ষেপণাস্ত্ৰ সমস্যাই সামৰিক প্ৰতিযোগিতাৰ এটা অন্ধকাৰ অধ্যায় উদঙাই দিয়ে। আমেৰিকাৰ চোৰাংচোৱা বিমানে যেতিয়া চুবুৰীয়া ৰাষ্ট্ৰ কিউবাত ছোভিয়েটৰ আণৱিক ক্ষেপণাস্ত্ৰ আৱিষ্কাৰ কৰিলে তেতিয়াৰ পৰা এই ঘটনাৰ সূত্ৰপাত হয়। প্ৰত্যুত্তৰত আমেৰিকাই কিউবাত নৌবাহিনীৰ দ্বাৰা প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে আৰু ক্ষেপণাস্ত্ৰসমূহ আঁতৰাই নিনিলে ছোভিয়েট ৰাছিয়াৰ

**আমি কৰো আহা**

এডিটা মৰিছে ৰচনা কৰা উপন্যাস 'দ্য ফ্লাৱাৰ্ছ অৱ হিৰোশ্বিমা' খন পঢ়া। আণৱিক বোমাৰ ব্যৱহাৰে দীৰ্ঘ সময়ৰ বাবে কেনেদৰে জনসাধাৰণক শাৰীৰিক আৰু মানসিক আঘাত দিয়ে, সেই কথা লক্ষ্য কৰা।

বিৰুদ্ধে সামৰিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ভাবুকি প্ৰদান কৰিলে। ছোভিয়েট ৰাছিয়াই ক্ষেপণাস্ত্ৰমূহ আঁতৰাই নিয়াত এই মুখামুখি সংঘাতৰ অন্ত পৰিছিল। দুসপ্তাহ ধৰি এই বিপৰ্যয়ে মানৱ জতিক বিপজ্জনকভাৱে ধ্বংসৰ গৰাহলৈ লৈ গৈছিল।

সেইবাবে, যদি বৰ্তমান মানুহে শান্তিক প্ৰশংসা কৰে, সেয়া কেৱল তেওঁলোকে ইয়াক ভাল ধাৰণা বুলি বিশ্বাস কৰে বাবেই নহয়। মানৱ জাতিয়ে শান্তিক মূল্য দিবলৈ শিকিলে কিয়নো ইয়াৰ অনুপস্থিতিত তেওঁলোকে প্ৰচুৰ লোকচান ভৰিবলগীয়া হৈছিল। এনে দুখজনক সংঘৰ্ষৰ চিন্তাই আমাৰ মনক অনবৰতে পীড়িত কৰি থাকে। পূৰ্বৰ সময়তকৈ বৰ্তমান মানুহৰ জীৱন অধিক অসুৰক্ষিত হৈ পৰিছে, কিয়নো সকলো ক্ষেত্ৰতে তেওঁলোকে সন্ত্ৰাসবাদৰ ভাবুকিৰ সন্মুখীন হ'বলগীয়া হৈছে। ধাৰাবাহিকভাৱে শান্তি সদায়েই মূল্যৱান, ইয়াৰ আংশিক কাৰণ হ'ল, ইয়াৰ প্ৰতি অহা ভয়াবহতা সদায়েই থাকে।



এওঁ নিশ্চয় এখন পিছপৰা দেশৰ পৰা আহিছে। তেওঁ নিয়োগ, শিক্ষা, স্বাস্থ্য আৰু আশ্ৰয়ৰ বিষয়েহে ক'লে। আণৱিক বোমাৰ বিষয়ে একো নক'লে।

## ৯·২ শান্তিৰ অৰ্থ (The Meaning of Peace)

শান্তিক প্ৰায়ে যুদ্ধৰ অনুপস্থিতি বুলি আখ্যা দিয়া হয়। এই সংজ্ঞাটো সৰল, কিন্তু ই বিপথে পৰিচালিত কৰে। কিয়নো যুদ্ধক সাধাৰণতে দুখন ৰাষ্ট্ৰৰ মাজৰ সশস্ত্ৰ সংঘাতৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু ৰুৱাণ্ডা আৰু ব'ছনিয়াত যি ঘটিছিল সেয়া এনে ধৰণৰ যুদ্ধ নহয়। তথাপি ই শান্তি ভঙ্গকৰণ বা শান্তিৰ ব্যাহতকৰণকেই প্ৰতিনিধিত্ব কৰিছিল। প্ৰত্যেকখন যুদ্ধৰ ফলত শান্তিৰ অৱসান ঘটে, কিন্তু প্ৰত্যেকটো শান্তি অৱসানৰ ঘটনাক যুদ্ধ বুলি ক'ব পৰা নাযায়।

শান্তিৰ সংজ্ঞাৰ ক্ষেত্ৰত দ্বিতীয় পদক্ষেপ হৈছে যে ইয়াক যুদ্ধ, সংঘৰ্ষ, নৰসংহাৰ, হত্যা বা কেৱল শাৰীৰিক আক্ৰমণ আদি সকলো ধৰণৰ হিংসাত্মক সংঘৰ্ষৰ অভাৱ হিচাপে লক্ষ্য কৰিব লাগিব। এই সংজ্ঞাটো নিশ্চিতভাৱে আগৰটোতকৈ অধিক উন্নত। তথাপি এই সংজ্ঞাটোৱেও আমাক অধিক দূৰলৈ লৈ যাব পৰা নাই। হিংসাত্মক ঘটনাসমূহ প্ৰায়ে সমাজৰ মূল গাঁথনিতেই নিহিত হৈ

থাকে। সামাজিক সংস্থা আৰু প্ৰচলিত ৰীতিসমূহ, যিবোৰ দীৰ্ঘদিন ধৰি খোপনি পুতি থকা বৰ্ণ, শ্ৰেণী আৰু লিঙ্গভিত্তিক বৈষম্যসমূহ পুনৰ দৃঢ় কৰিব বিচাৰে সেইবোৰেও সুক্ষ্ম আৰু অদৃশ্যভাৱে অনিষ্ট সাধন কৰিব পাৰে। যদি নিপীড়িত শ্ৰেণাটোৱে এনে অধিক্ৰমক প্ৰত্যাহ্বান জনায় তেতিয়াহ'লে আকৌ সংঘাত আৰু হিংসাত্মক ঘটনাৰ সৃষ্টি হ'ব পাৰে। বৰ্ণ বিভাজন, শ্ৰেণী বৈষম্য, পিতৃতন্ত্ৰবাদ, উপনিৱেশিকতাবাদ আৰু বৰ্ণবাদ।সাম্প্ৰদায়িকতাবাদৰ ফলত উদ্ভৱ হোৱা এনেধৰণৰ কেইটামান হিংসাত্মক ঘটনাৰ বাস্তৱ উদাহৰণ চাওঁ আহা।

## গাঁথনিগত হিংসাৰ প্ৰকাৰ (Forms of Structural Violence)

পৰম্পৰাগত বৰ্ণ ব্যৱস্থাই মানুহৰ কিছুমান গোটক অস্পৃশ্য হিচাপে গণ্য কৰে। স্বাধীন ভাৰতৰ সংবিধানে বেআইনী বুলি ঘোষণা কৰাৰ আগেয়ে অস্পৃশ্যতাৰ প্ৰচলনৰ ফলত তেওঁলোক অতি বেয়া ধৰণে সামাজিক বৰ্জন আৰু বঞ্চনাৰ বলি হৈছিল। এই কু-প্ৰথাৰ দাগ আৰু চিহ্নসমূহ নোহোৱা কৰিবলৈ দেশখনে এতিয়াও সংগ্ৰাম কৰি আছে। শ্ৰেণীৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজ ব্যৱস্থা অধিক নমনীয় যেন লাগিলেও ইয়াৰ ফলতো বহু পৰিমাণে অসমতা আৰু নিপীড়নৰ উদ্ভৱ হয়। উন্নয়নশীল দেশসমূহত শ্ৰমিক শ্ৰেণীৰ বেছিভাগ লোক অসংগঠিত খণ্ডৰ লগত জড়িত, য'ত মজুৰি কম আৰু কামৰ পৰিৱেশো কষ্টকৰ। এক বৃহৎসংখ্যক নিম্ন শ্ৰেণীৰ লোক আনকি উন্নত দেশসমূহতো আছে।

অতীজৰ পৰা প্ৰচলিত পিতৃতন্ত্ৰই বৰ্তমান এক সামাজিক সংগঠনৰ ৰূপ লৈছে আৰু ইয়াৰ দ্বাৰা সু-সংবদ্ধভাৱে মহিলাসকলক নিম্ন মৰ্যাদাসম্পন্ন আৰু বৈষম্যৰ বলি কৰা হৈছে। উদাহৰণস্বৰূপে কন্যা শিশুৰ ভ্ৰূণ হত্যা, শিশু কন্যাক পৰিপুষ্টি আৰু শিক্ষাৰ পৰা বঞ্চিত কৰা, বাল্য-বিবাহ, পত্নী নিৰ্যাতন, যৌতুক সম্পৰ্কীয় অপৰাধ, কৰ্মস্থলীত যৌন নিৰ্যাতন, ধৰ্ষণ আৰু সন্মানৰ বাবে হত্যা আদিৰ কথা উল্লেখ কৰিব পাৰি। ভাৰতৰ নিম্ন লিঙ্গ অনুপাতে (1000 পুৰুষৰ বিপৰীতে 933গৰাকী মহিলা) পিতৃতন্ত্ৰই জুৰুলা কৰা মৰ্মস্পৰ্শী অৱস্থাক সূচায়।

### ভাবি চাওঁ আহা



তলত উল্লেখ কৰা কোনটো মতৰ সৈতে তুমি সহমত পোষণ কৰা আৰু কিয়?

- ❑ 'সকলো অন্যায় কাৰ্য মনৰ পৰাই উদ্ভৱ হয়। যদি মনৰ ৰূপান্তৰ ঘটোৱা হয়, অন্যায় কাৰ্য থাকিব পাৰিবনে?'

  *—গৌতম বুদ্ধ*

- ❑ 'মই হিংসাৰ বিৰোধিতা কৰো, কিয়নো যেতিয়া ইয়াক কোনো ভাল কাম কৰা যেন দেখা যায়, সেয়া ক্ষণস্থায়ী, ই যি ক্ষতি কৰে সেয়া স্থায়ী।'

  ***—মহাত্মা গান্ধী***

- ❑ 'তুমি তেনে এজন লোক হ'ব লাগিব যাৰ চকুৱে সদায় শত্ৰুক বিচাৰি ফুৰে— তুমি শান্তিক নতুন যুদ্ধৰ মাধ্যম হিচাপে ভাল পাব লাগিব— আৰু দীৰ্ঘস্থায়ী শান্তিতকৈ ক্ষণস্থায়ী শান্তিক বেছি ভাল পাব লাগিব। মই তোমাক কাম কৰিবলৈ নহয়, জয়লাভ কৰিবলৈ পৰামৰ্শ দিওঁ। তোমাৰ কৰ্ম এক যুদ্ধ হওক আৰু তোমাৰ শান্তি বিজয় হওক।'

  ***—ফ্ৰেডৰিক নীৎসে***

দীঘলীয়া সময়ৰ বাবে আৰু প্ৰত্যক্ষভাৱে বিদেশী শাসনৰ অধীনত থকা ধৰণৰ ঔপনিৱেশিকতাবাদ বৰ্তমান সময়ত প্ৰায় নাই বুলিয়েই ক'ব পাৰি। কিন্তু ইজৰাইলৰ আধিপত্যৰ বিৰুদ্ধে পেলেষ্টাইনৰ সংগ্ৰামে এয়া যে সম্পূৰ্ণ শেষ হোৱা নাই সেই কথাকে প্ৰতিপন্ন কৰে। তদুপৰি ইউৰোপৰ সাম্ৰাজ্যবাদী দেশসমূহৰ পূৰ্বৰ উপনিৱেশসমূহে এতিয়াও ঔপনিৱেশিক যুগত সন্মুখীন হোৱা বিভিন্ন ধৰণৰ শোষণৰ পৰা মুক্ত হোৱা নাই।

জাতিগত বৈষম্য বা বৰ্ণ-বৈষম্য নীতি আৰু সাম্প্ৰদায়িকতাবাদত এটা সম্পূৰ্ণ জাতি, গোষ্ঠী বা সম্প্ৰদায়ক কলঙ্কিত কৰা নিপীড়ন কৰা কাৰ্য জড়িত হৈ থাকে। যদিও এটা ধাৰণা আছে যে মানৱ জাতিক কিছুমান নিৰ্দিষ্ট জাতিত ভাগ কৰিব পৰা যায়, প্ৰকৃততে সেয়া বিজ্ঞানসন্মত নহয়। ইয়াক কিছুমান প্ৰৱঞ্চনাপূৰ্ণ কাৰ্য যেনে— আমেৰিকা যুক্তৰাষ্ট্ৰত নিগ্ৰোৰ দাসত্ব (1865 চনলৈ), হিটলাৰৰ জাৰ্মানীত ইহুদিসকলক হত্যা আৰু 1992 চনলৈ দক্ষিণ আফ্ৰিকা শ্বেতবৰ্ণ মানুহৰ দ্বাৰা নিয়ন্ত্ৰিত

চৰকাৰে অনুসৰণ কৰা বৰ্ণবাদী নীতি, যাৰ দ্বাৰা দেশখনৰ সংখ্যাগৰিষ্ঠ কৃষ্ণাংগ লোকক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰা হৈছিল আদিৰ দ্বাৰা ন্যায্য বিচাৰ প্ৰতিপন্ন কৰিবলৈ বিচৰা হয়। পাশ্চাত্যত এতিয়াও জাতিগত বৈষম্য নীতি গোপনে চলি আছে আৰু বৰ্তমান ইয়াক প্ৰায়ে এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশবোৰৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলৰ ওপৰত প্ৰয়োগ কৰা হয়। সাম্প্ৰদায়িকতাবাদক দক্ষিণ এছিয়াত জাতিবাদৰেই এটা ৰূপ বুলি গণ্য কৰিব পৰা যায় ধৰ্মীয় সংখ্যালঘুসকল য'ত বলি হয়।

হিংসাত্মক ঘটনাৰ দ্বাৰা আক্ৰান্ত হোৱা লোকসকলে ভোগ কৰা মানসিক আৰু পাৰ্থিৱ ক্ষতিয়ে ক্ষোভৰ সৃষ্টি কৰে আৰু সেয়া কেইবাপুৰুষ ধৰি থাকি যায়। কেতিয়াবা কোনো ঘটনা বা মন্তব্যৰ দ্বাৰা উত্তেজিত হৈ তেওঁলোকে নতুন সংঘাতৰ সৃষ্টি কৰিব পাৰে। দক্ষিণ এছিয়াত দীৰ্ঘদিন ধৰি বিভিন্ন সম্প্ৰদায়ে এটাই আনটোৰ বিৰুদ্ধে ক্ষোভ পুঞ্জীভূত কৰি ৰখাৰ উদাহৰণ আছে। এনে এটা উদাহৰণে হৈছে 1947 চনত ব্ৰিটিছৰ দ্বাৰা শাসিত ভাৰতবৰ্ষৰ বিভাজনৰ সময়ত সংঘটিত হিংসাত্মক ঘটনাৰ ফলত সৃষ্টি হোৱা মনোমালিন্য।



সন্ত্ৰাসবাদ সৃষ্টিৰ উপাদানসমূহ

সুপ্ত হৈ থকা ক্ষোভ আৰু সংঘাতৰ কাৰণসমূহ আলোচনা প্ৰক্ৰিয়াৰ জৰিয়তে স্পষ্টভাৱে বুজি লৈ আঁতৰ কৰিব পাৰিলেহে ন্যায়সঙ্গত আৰু দীৰ্ঘম্যাদী শান্তি লাভ কৰিব পৰা যাব। সেইবাবে ভাৰত আৰু পাকিস্তানৰ মাজৰ সমস্যা সমাধানৰ বাবে চলাই থকা প্ৰচেষ্টাত বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত যোগাযোগ বৃদ্ধি কৰাৰ ব্যৱস্থাকো অন্তভুক্ত কৰা হৈছে।

### হিংসা অৱসানৰ ব্যৱস্থা (Eliminating Violance)

ৰাষ্ট্ৰসংঘৰ সংবিধানত শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংগঠনৰ বিষয়ে অতি উপযুক্তভাৱে উল্লেখ আছে, 'যিহেতু যুদ্ধ মানুহৰ মনত আৰম্ভ হয়, সেইবাবে মানুহৰ মনতেই শান্তিৰ প্ৰতিৰক্ষাৰ বাবে ব্যৱস্থা কৰিব লাগিব।' এনেধৰণৰ প্ৰচেষ্টাত

সুবিধাজনক হোৱাকৈ বহুতো পুৰণিকলীয়া আধ্যাত্মিক নীতি (যেনে— সহানুভূতি) আৰু অভ্যাস বা আচৰণ (যেনে— ধ্যান) যথাযথভাৱে কাৰ্যত প্ৰয়োগ কৰা হৈছে। মনোবিশ্লেষণ আদিৰ দৰে আধুনিক আৰোগ্যৰ কৌশল আৰু চিকিৎসাসমূহে এনেধৰণৰ কাৰ্যই কৰিব পাৰে।

**আহি কৰোঁ আহা**

শান্তিৰ ন'বেল বঁটা পোৱা কেইগৰাকীমান ব্যক্তিৰ তালিকা এখন তৈয়াৰ কৰা। তেওঁলোকৰ যিকোনো এগৰাকীৰ বিষয়ে এটা টোকা লিখা

অৱশ্যে আমি লক্ষ্য কৰিছো যে হিংসা কেৱল মানুহৰ মনতেই উদ্ভৱ নহয়, ই কিছুমান সামাজিক গাঁথনিতো নিহিত হৈ থাকে। গাঁথনিগত হিংসাৰ অৱসান ঘটাবলৈ এখন ন্যায়সঙ্গত আৰু গণতান্ত্ৰিক সমাজ গঠন কৰা প্ৰয়োজন। শান্তি প্ৰিয় মানুহৰ মাজত সমন্বয়পূৰ্ণ সহঅৱস্থান তৰে বুলিলে যি বুজা যায়— সেয়া এনে সমাজতহে সৃষ্টি হ'ব। ইয়াক কেতিয়াও এবাৰতেই সকলোৰে বাবে লাভ কৰিব পৰা নাযায়। শান্তি বাষ্ট্ৰৰ শেষ লক্ষ্য নহয়, বৰঞ্চ বহল অৰ্থত মানৱ কল্যাণ সাধনৰ বাবে প্ৰয়োজন হোৱা নৈতিক আৰু পাৰ্থিৱ সম্পদৰ সক্ৰিয় সন্ধান জড়িত হৈ থকা এটা প্ৰক্ৰিয়াহে।

## 9·3 হিংসাই কেতিয়াবা শান্তি প্ৰতিষ্ঠা কৰিব পাৰেনে? (Can Violence Ever Promote Peace)

প্ৰায়ে এইদৰে সাব্যস্ত কৰিব বিচৰা হয় যে হিংসা, যদিও এটা অশুদ্ধ শক্তি - তথাপি কেতিয়াবা শান্তি প্ৰতিষ্ঠাৰ বাবে ই এটা প্ৰয়োজনীয় অৱস্থাণ হ'ব পাৰে। এইদৰে যুক্তি দৰ্শোৱা হয় যে কেৱল শক্তি প্ৰয়োগৰ দ্বাৰাহে অত্যাচাৰী শাসক আৰু উৎপীড়নকাৰী লোকসকলক জনসাধাৰণক অনিষ্ট কৰাৰ পৰা বিৰত ৰাখিব পৰা যায়। সেইদৰে নিপীড়িত লোকসকলৰ মুক্তি সংগ্ৰামত তেওঁলোকে কিছু হিংসাত্মক কাৰ্য কৰিলেও সেয়া যুক্তিসংগত বুলি ক'ব পৰা যায়। কিন্তু ভাল উদ্দেশ্যত হিংসাৰ আশ্ৰয় লোৱা হ'লেও সেয়া আত্মঘাতী কাৰ্য হিচাপে পৰিগণিত হ'ব পাৰে। এবাৰ প্ৰয়োগ কৰিলে ই নিয়ন্ত্ৰণহীনভাৱে আগবাঢ়ি যায় আৰু পৰিণামস্বৰূপে পিছত এৰি থৈ যায় মৃত্যু আৰু ধ্বংসৰ এক দীঘলীয়া শাৰী।

সেইবাবে শান্তিবাদীসকলে (Pacifists) অৰ্থাৎ যিসকলে শান্তিকেই আটাইতকৈ মূল্যবান হিচাপে গণ্য কৰে, তেওঁলোকে আনকি ন্যায়সঙ্গত উদ্দেশ্যত

উপনীত হ'বলৈও হিংসাৰ আশ্ৰয় লোৱাৰ বিৰোধিতা কৰি এক নৈতিক স্থিতি গ্ৰহণ কৰে। উৎপীড়নৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ পোষকতা তেওঁলোকেও কৰে। কিন্তু তেওঁলোকে প্ৰেম আৰু সত্যৰ জৰিয়তে উৎপীড়নকাৰী সকলৰ অন্তৰ আৰু মন জয় কৰাৰ ওপৰতহে গুৰুত্ব দিয়ে।


ইয়াৰ দ্বাৰা সংগ্ৰামী কিন্তু অহিংস প্ৰতিৰোধত নিহিত হৈ থকা শক্তিক অৱজ্ঞা কৰিব বিচৰা হোৱা নাই। নাগৰিকৰ দ্বাৰা চৰকাৰী নিৰ্দেশ অমান্য কৰাটো হৈছে এনে সংগ্ৰামৰ এটা প্ৰধান উপায় আৰু ইয়াক নিপীড়নৰ গাঁথনিত সাঁচ বহুৱাবলৈ অতি কৃতকাৰ্যতাৰে প্ৰয়োগ কৰা হৈছে। ইয়াৰ এটা জ্বলন্ত উদাহৰণ হৈছে ভাৰতৰ স্বাধীনতা সংগ্ৰামত গান্ধীয়ে প্ৰয়োগ



**ভাবি চাওঁ আহা**

কম্বোডিয়াৰ খ্মেৰ ৰুজৰ (Khmer Rouge) শাসন কাল হৈছে বিপ্লৱৰ লগত জড়িত হিংসাৰ ধ্বংসাত্মক প্ৰকৃতিৰ এক ভয়াবহ উদাহৰণ। পল পটৰ (Pol Pot) নেতৃত্বত হোৱা ৰাজদ্ৰোহৰ ফলস্বৰূপে সৃষ্টি হোৱা এই শাসন ব্যৱস্থাই নিপীড়িত কৃষকৰ মুক্তিৰ বাবে সাম্যবাদী ব্যৱস্থা প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। ১৯৭৫-১৯৭৯ চনৰ সময়ছোৱাত ই যি সন্ত্ৰাসৰ ৰাজত্ব সৃষ্টি কৰিছিল। তাৰ ফলত প্ৰায় ১·৭ নিযুত লোকৰ (দেশখনৰ শতকৰা ২১ ভাগ লোক) মৃত্যু হৈছিল। যোৱা শতিকাত মানৱ সমাজৰ এইটো এটা অতি হতাশাজনক শোকাৱহ ঘটনা।

অৱশ্যে বিপ্লৱী আন্দোলনকাৰীসকলে তেওঁলোকে আকাংক্ষা কৰা লক্ষ্যত উপনীত হ'বলৈ সু-সংহতভাৱে প্ৰয়োগ কৰা হিংসা সদায় এনে শোকাৱহ ফল নহ'বও পাৰে। কিন্তু এনে প্ৰক্ৰিয়াত ই প্ৰায় প্ৰতিষ্ঠানগত ৰূপ (Institutional form) লয় আৰু ইয়াৰ ফলস্বৰূপে উদ্ভৱ হোৱা ৰাজনৈতিক ব্যৱস্থাৰ এটা অংশ হৈ পৰে। এনে এটা উদাহৰণ হৈছে হিংসাত্মক পন্থা অৱলম্বন কৰি আলজেৰিয়াৰ মুক্তি সংগ্ৰামৰ নেতৃত্ব দিয়া নেশ্বনেল লিবাৰেশ্বন ফ্ৰন্ট। ই দেশখনক ১৯৬২ চনত ফৰাচী সাম্ৰাজ্যবাদৰ গৰাহৰ পৰা মুক্ত কৰিছিল যদিও সোনকালেই তেওঁলোকৰ শাসনে স্বেচ্ছাচাৰী ৰূপ লৈছিল আৰু ইছলামীয় মৌলবাদৰ ৰূপত অশুভ প্ৰতিক্ৰিয়াৰ সূত্ৰপাত হৈছিল।



## অহিংসাৰ বিষয়ে মহাত্মা গান্ধী (Mahatma Gandhi on Non-Violence)

তোমালোকে নিশ্চয় 'মজবুৰী কা নাম মহাত্মা গান্ধী' কথাশাৰী শুনিছা। অসহায় অৱস্থাক অহিংসাৰ লগত আৰু অহিংসাক গান্ধীৰ লগত সমান হিচাপে গণ্য কৰাৰ মনোবৃত্তিৰ ফলস্বৰূপে কিছুমান মানুহে এনেদৰে কয়। বেছিভাগ মানুহে অহিংসাক দুৰ্বল লোকৰ পন্থা হিচাপে মত পোষণ কৰে বাবেই এই টুলুঙা মন্তব্যৰ উদ্ভৱ হৈছে। গান্ধীয়ে অহিংসাৰ প্ৰতি এনে মনোভাৱৰ বিৰোধিতা কৰিছিল আৰু অহিংসাৰ বাবে এক সম্পূৰ্ণ সুকীয়া দৰ্শনৰ পৃষ্ঠপোষকতা কৰিছিল। সাধাৰণতে আমি অহিংসাক আঘাত নকৰা কাৰ্য বুলি বুজো। অহিংসাত্মক কাৰ্য বুলিলে এনে কাৰ্যক বুজা যায় যে যাৰ দ্বাৰা শাৰীৰিক আঘাত কৰা নহয়। গান্ধীয়ে এই অৰ্থটোক দুটা মৌলিক উপায়ৰ দ্বাৰা সলনি কৰিছিল। তেওঁৰ মতে, অহিংসাই কেৱল শাৰীৰিক আঘাত, মানসিক আঘাত বা জীৱিকা নিৰ্বাহৰ উপায় নোহোৱা কৰাকে নুবুজায়। ই আনক আঘাত বা অন্যায় কৰিব বিচৰা চিন্তাকো পৰিহাৰ কৰাক বুজায়। তেওঁৰ মতে 'কৰা' বুলি কওঁতে অন্যায় কাৰ্যটো কেৱল নিজে কৰা অৰ্থ বুজোৱা হোৱা নাই। গান্ধীয়ে কয় যে 'মই যদি এজন ব্যক্তিক আন এজনক অন্যায় কৰাত সহায় কৰো বা যদি মই কোনো অন্যায় কাৰ্যৰ দ্বাৰা সুবিধা লাভ কৰো তেতিয়াও মই হিংসা কৰা বুলি দোষী সাব্যস্ত হ'ম।' এনে অৰ্থত গান্ধীৰ হিংসাৰ ধাৰণাটো গাঁথনিগত হিংসাৰ নিচিনা। গান্ধীয়ে অহিংসাৰ ইতিবাচক অৰ্থৰ ধাৰণা দিবলৈ ইয়াৰ দ্বিতীয় প্ৰধান পৰিৱৰ্তনটো প্ৰৱৰ্তন কৰিছিল। আনক আঘাত বা অনিষ্ট নকৰাটোৱে যথেষ্ট নহয়। অহিংসাৰ বাবে সচেতন সহানুভূতিৰ উপাদানৰ প্ৰয়োজন। গান্ধী নিষ্ক্ৰিয় আধ্যাত্মিকতাৰ বিৰোধী। তেওঁৰ বাবে অহিংসাৰ অৰ্থ হৈছে কল্যাণ আৰু সাধুতাৰ ইতিবাচক আৰু সক্ৰিয় অন্বেষণ। সেইবাবে যিসকলে অহিংসাৰ অনুশীলন কৰে তেওঁলোকে অতি গুৰুতৰ প্ৰৰোচনাতো শৰীৰ আৰু মনক নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব। অহিংসা হৈছে এক অতিশয় সক্ৰিয় শক্তি আৰু ইয়াত ভীৰুতা বা দুৰ্বলতাৰ স্থান নাই। প্ৰকৃততে গান্ধীয়ে আনকি এনেদৰেও কৈছে যে যদি অহিংসাৰ জৰিয়তে আত্মৰক্ষা কৰিব পৰা নাযায়, তেতিয়াহ'লে অহিংসাৰ নামত নিষ্ক্ৰিয় হৈ থকাতকৈ হিংসাৰ সহায় লোৱাই শ্ৰেয়। কিছুমান গান্ধীবাদীয়ে কয় যে আৰম্ভণিতে উল্লেখ কৰা জনপ্ৰিয় কথাষাৰ, 'মজবুতী কা নাম মহাত্মা গান্ধী' হিচাপে সলনি কৰিব লাগে।

কৰা সত্যাগ্ৰহ। গান্ধীয়ে ন্যায়ৰ পক্ষ লৈছিল আৰু ব্ৰিটিছ শাসকৰ বিবেকৰ প্ৰতি আৱেদন জনাইছিল। ইয়াৰ দ্বাৰা কাম নহ'লে তেওঁ মুকলি কিন্তু অহিংসভাৱে অন্যায় আইন অমান্য কৰি তেওঁলোকৰ ওপৰত নৈতিক আৰু ৰাজনৈতিক হেঁচা আৰোপ কৰিছিল। তেওঁৰ দ্বাৰা অনুপ্ৰাণিত হৈ কুৰি শতিকাৰ ষাঠিৰ দশকত মাৰ্টিন লুথাৰ কিঙে

### আলোচনা কৰো আহা

তুমি ভাবা নেকি যে কেতিয়াবা হিংসাৰ আশ্ৰয় লোৱাৰ প্ৰয়োজন হৈ পৰে? কিয়নো, জাৰ্মানীৰ নাজী শাসন বাহ্যিক সামৰিক হস্তক্ষেপৰ দ্বাৰাহে ওপৰাব-লগীয়া হৈছিল।

আমেৰিকাৰ কৃষ্ণাঙ্গ বিৰোধী জাতিগত বৈষম্যৰ বিৰুদ্ধে এক ধৰণৰ সংগ্ৰাম গঢ়ি তুলিছিল।

## ৯.৪ শান্তি আৰু ৰাষ্ট্ৰ (Peace and the State)

প্ৰায়ে এইদৰে যুক্তি দৰ্শোৱা হয় যে পৃথিৱীখন বিভিন্ন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে বিভক্ত হৈ থকাৰ ফলত শান্তিৰ সন্ধানত বাধাৰ সৃষ্টি হৈছে। যিহেতু প্ৰত্যেকখন ৰাষ্ট্ৰই নিজকে স্বাধীন আৰু সৰ্বোচ্চ সত্তা হিচাপে গণ্য কৰে, সেইবাবে তেওঁলোকে নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ চেষ্টা কৰে। শান্তিৰ অন্বেষণ কৰোতে আমি নিজকে বৃহৎ মানৱ জাতিৰ অংশ হিচাপে ভবা উচিত। কিন্তু ৰাষ্ট্ৰবোৰে মানুহৰ মাজত পাৰ্থক্য আনিব বিচাৰে। নিজৰ নাগৰিকৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ তেওঁলোকে আনৰ ক্ষতি কৰিব বিচাৰে।

**আমি কৰো আহা**

গান্ধীয়ে দক্ষিণ আফ্ৰিকা, চম্পাৰণ আৰু দাণ্ডি যাত্ৰাত প্ৰয়োগ কৰা সত্যাগ্ৰহৰ বিভিন্ন পদ্ধতিসমূহৰ বিষয়ে তথ্য সংগ্ৰহ কৰা। সম্ভৱ হ'লে গিৰিৰাজ কিশোৰ ৰচিত কিতাপ 'পহলা গিৰমতিয়া'খন পঢ়িবা।

মাৰ্টিন লুথাৰ কিঙৰ নাগৰিক অধিকাৰ আন্দোলনৰ বিষয়ে অধিক তথ্য সংগ্ৰহ কৰা। তেওঁ গান্ধীৰ দ্বাৰা কেনেদৰে অনুপ্ৰাণিত হৈছিল?

ইয়াৰ উপৰি বৰ্তমানৰ পৃথিৱীত প্ৰত্যেক ৰাষ্ট্ৰই উৎপীড়ন আৰু শক্তিৰ আহিলাসমূহ একত্ৰিত কৰিছে। যেতিয়া নাগৰিকৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰই শক্তি, সৈন্য বা আৰক্ষী প্ৰয়োগ কৰিব বুলি আশা কৰা হয়, সেই সময়ত প্ৰকৃততে বাস্তৱত এইবোৰ তেওঁলোকৰ নিজৰ সদস্যসকলৰ বিৰুদ্ধে বিৰোধ দমন কৰিবলৈহে প্ৰয়োগ কৰে। এনে ঘটনা বিশেষকৈ বৰ্তমানৰ ম্যানমাৰৰ শাসনৰ দৰে স্বেচ্ছাচাৰী শাসন বহুতো ৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নিজৰ উদ্দেশ্য সাধন কৰিবলৈ, বিশেষকৈ ভূ-খণ্ড দখল কৰিবলৈ আৰু প্ৰাকৃতিক সম্পদ আহৰণ কৰিবলৈ হিংসাত্মক উপায় অৱলম্বন কৰাৰ মনোবৃত্তি গ্ৰহণ কৰাত অতি শোকাৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ ফলত সৃষ্টি হোৱা বিৰোধে সম্পূৰ্ণ যুদ্ধৰ সূত্ৰপাত কৰিব পাৰে। এইদৰে, ১৯৯০ চনত ইৰাকে ইয়াৰ চুবুৰীয়া সৰুদেশ কিন্তু তৈল সম্পদত চহকী দেশ কুৱেইটক আক্ৰমণ কৰিছিল। কুৱেইটৰ ভূ-খণ্ড প্ৰকৃততে ইৰাকৰ প্ৰদেশ আছিল আৰু ইয়াক সাম্ৰাজ্যবাদৰ দ্বাৰা স্বেচ্ছাচাৰীভাৱে কৰ্তন কৰা হৈছিল বুলি ইৰাকে যুদ্ধখনৰ যুক্তিযুক্ততা সাব্যস্ত কৰিব বিচাৰিছিল। তদুপৰি ইৰাকৰ তৈল ভাণ্ডাৰত হেলনীয়াকৈ খনন চলোৱা বুলি কুৱেইটক দোষাৰোপ কৰিছিল। পিছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত সামৰিক জোঁটে এই আক্ৰমণ প্ৰতিহত কৰিছিল। কাৰ্যকৰী বিশ্ব শাসন ব্যৱস্থা নথকা গোলকীয় ব্যৱস্থাত এনে ধৰণৰ সম্ভাৱনা সদায় থাকিব। যুদ্ধক এক লাভজনক উপায় হিচাপে গণ্য কৰা অস্ত্ৰ উদ্যোগৰ দৰে ন্যস্ত স্বাৰ্থ গোষ্ঠীয়ে এনে বিৰোধ বঢ়াই তুলিছে।

আৰু সামৰিক একনায়কত্ববাদত পৰিলক্ষিত হয়। অৰ্থৱহ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ দ্বাৰা ৰাষ্ট্ৰসমূহক অধিক দায়বদ্ধ কৰি আৰু ফলপ্ৰসূ নাগৰিক স্বাধীনতাৰ জৰিয়তে ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰিব পৰা যায়। দক্ষিণ আফ্ৰিকাৰ বৰ্ণবৈষম্যবাদৰ পিছৰ শাসন ব্যৱস্থাই এনে পথ অৱলম্বন কৰিছে। বিগত সময়ছোৱাৰ এইটো এটা প্ৰধান ৰাজনৈতিক সাফল্যৰ ঘটনা। এইদৰে শান্তিৰ প্ৰতিৰক্ষাৰ লগত গণতন্ত্ৰ আৰু মানৱ অধিকাৰৰ বাবে কৰা সংগ্ৰামৰ ঘনিষ্ঠ সম্পৰ্ক আছে।

## 9·5 শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিভিন্ন পদ্ধতি (Different Approaches to the Pursuit of Peace)

শান্তি প্ৰতিষ্ঠা আৰু ৰক্ষণাবেক্ষণৰ বাবে বিভিন্ন কৌশল অৱলম্বন কৰা হৈছে। তিনিটা প্ৰধান পদ্ধতিৰ দ্বাৰা এইবোৰৰ পৰিকল্পনা কৰা হৈছে। প্ৰথম পদ্ধতিটোৱে ৰাষ্ট্ৰক কেন্দ্ৰীয় স্থান দিয়ে, তেওঁলোকৰ সাৰ্বভৌমত্বক সন্মান জনায় আৰু এইবোৰৰ মাজৰ প্ৰতিযোগিতাক উপযুক্তভাৱে নিয়ন্ত্ৰণত ৰখা আৰু 'ক্ষমতাৰ ভাৰসাম্য'ৰ দৰে আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ দ্বাৰা সম্ভাব্য সংঘৰ্ষক বাধা প্ৰদান কৰা। এনে ধৰণৰ ভাৰসাম্য ঊনবিংশ শতিকাত প্ৰচলন আছিল বুলি কোৱা হয়। সেই সময়ত প্ৰধান ইউৰোপীয় দেশসমূহে মিত্ৰ গোষ্ঠী গঠন কৰি তেওঁলোকৰ ক্ষমতাৰ বাবে সংঘৰ্ষক সুসংহত কৰি সম্ভাব্য আক্ৰমণকাৰীক প্ৰতিহত কৰিছিল আৰু বৃহৎ অংশ সামৰি হ'ব পৰা যুদ্ধক বাধা প্ৰদান কৰিছিল।

দ্বিতীয় পদ্ধতিটোৱে গভীৰভাৱে শিপাই থকা আন্তঃৰাষ্ট্ৰীয় শত্ৰুতাৰ কথা স্বীকাৰ কৰে। কিন্তু ই পৰস্পৰ নিৰ্ভৰশীলতাৰ ইতিবাচক উপস্থিতি আৰু সম্ভাৱনাৰ ওপৰত গুৰুত্ব দিয়ে। ই ৰাষ্ট্ৰসমূহৰ মাজত ক্ৰমাৎ বৃদ্ধি পাই অহা সামাজিক আৰু অৰ্থনৈতিক সহযোগিতাৰ বিষয়টো প্ৰাধান্য দিয়ে। এনে সহযোগিতাই ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বক সংযত কৰি আন্তঃৰাষ্ট্ৰীয় বুজাবুজি বৃদ্ধি কৰিব বুলি আশা কৰা যায়। ফলস্বৰূপে বিশ্বজুৰি চলি থকা সংঘাতৰ উপশম ঘটিব আৰু ই শান্তিক উজ্জ্বল ভৱিষ্যতলৈ পৰিচালিত কৰিব। এই পদ্ধতিটোৰ প্ৰৱক্তাসকলে প্ৰায়ে উল্লেখ কৰা এটা উদাহৰণ হৈছে দ্বিতীয় মহাযুদ্ধৰ পিছত ইউৰোপ— য'ত ক্ৰমান্বয়ে অৰ্থনৈতিক সহযোগিতাৰ পৰা ৰাজনৈতিক সমন্বয়লৈ অগ্ৰসৰ হৈ দীৰ্ঘস্থায়ী শান্তি লাভ কৰিব পৰা হৈছে।

**শান্তিবাদ (Pacifism)**

শান্তিবাদে বিবাদ নিষ্পত্তিৰ উপায় হিচাপে যুদ্ধ আৰু হিংসাত লিপ্ত হোৱা কাৰ্যৰ বিৰোধিতা কৰে। আন্তঃৰাষ্ট্ৰীয় বিবাদ মীমাংসাৰ বাবে কূটনীতিৰ প্ৰয়োগৰ পৰা আৰম্ভ কৰি, যিকোনো পৰিস্থিতিত হিংসা বা শক্তি প্ৰয়োগৰ সম্পূৰ্ণ বিৰোধিতাকে ধৰি বিভিন্ন মতক সামৰি লয়। শান্তিবাদ নীতি আৰু বাস্তৱবাদৰ ওপৰত ভিত্তি কৰি হ'ব পাৰে। যুদ্ধ, ইচ্ছাকৃত প্ৰাণঘাতক শক্তি প্ৰয়োগ, হিংসা বা আন যিকেনো ধৰণৰ নিপীড়ন নীতিগতভাৱে ভুল, এনে বিশ্বাসৰ পৰা নীতিগত শান্তিবাদৰ উদ্ভৱ হয়। বাস্তৱবাদী শান্তিবাদ এনে ধৰণৰ নিৰ্দিষ্ট নীতিত বিশ্বাসী নহয়। তেওঁলোকৰ মতে বিবাদ মীমাংসাৰ বাবে যুদ্ধতকৈ আন বেছি ফলপ্ৰসূ উপায় আছে, তেওঁলোকে বিবেচনা কৰে যে যুদ্ধৰ পৰা হোৱা লাভতকৈ যুদ্ধত হোৱা ব্যায়ৰ পৰিমাণ বহুত বেছি। যুদ্ধ এৰাই চলিব বিচৰা মানুহক বুজাবলৈ 'কপৌ' বা 'কপৌৰ লেখীয়া' এই শব্দ দুটা আনুষ্ঠানিকভাৱে ব্যৱহাৰ কৰা হয়। কপৌ শান্তিপূৰ্ণ প্ৰকৃতিৰ বাবে এনেদৰে উল্লেখ কৰা হয়। কিছুমান মানুহে কয় যে 'কপৌৰ লেখীয়া' লোকসকলে তেওঁলোকৰ নিজৰ স্থিতিক শান্তিবাদ হিচাপে গণ্য নকৰে, কিয়নো কিছুমান পৰিস্থিতিত যুদ্ধক তেওঁলোকে যুক্তিসঙ্গত বুলি মানি লয়। কপৌৰ বিপৰীত চৰিত্ৰ হৈছে 'শেন', যি যুদ্ধ পিয়াসী। কিছুমান শান্তিবাদীয়ে যুদ্ধৰ বিৰোধিতা কৰিলেও, মানুহৰ বিৰুদ্ধে কৰা বা সম্পত্তিৰ ধ্বংসৰ বাবে কৰা সকলো ধৰণৰ উৎপীড়ন বা শাৰীৰিক শক্তি প্ৰয়োগৰ বিৰোধিতা নকৰে। উদাহৰণস্বৰূপে, অ-যুদ্ধবাদীসকলে (anti-militarists) সামগ্ৰিকভাৱে হিংসাৰ বিৰোধিতা কৰাতকৈ আধুনিক জাতি ৰাষ্ট্ৰসমূহৰ সামৰিক অনুষ্ঠানসমূহৰহে বিৰোধিতা কৰে। আন শান্তিবাদীসকলে অহিংস নীতি সমৰ্থন কৰে, কিয়নো তেওঁলোকে বিশ্বাস কৰে যে একমাত্ৰ অহিংস কাৰ্যহে গ্ৰহণযোগ্য।

*Wikipedia, the free encyclopaedia <http://en. wikipedia.org/wiki/Pacifism> ৰ পৰা অধ্যায়টোৰ উপযোগী কৰি লোৱা হৈছে।*

তৃতীয় পদ্ধতিটো প্ৰথম দুটাতকৈ কিছু বেলেগ। ই ৰাষ্ট্ৰ ব্যৱস্থাক মানৱ ইতিহাসৰ এক সাময়িক অৱস্থা হিচাপে গণ্য কৰে। ই এটা অধিৰাষ্ট্ৰীয় ব্যৱস্থাৰ উদ্ভৱ হ'ব বুলি কল্পনা কৰে আৰু আশা কৰে যে এটা বিশ্ব সম্প্ৰদায়ৰ পৰিপোষণৰ দ্বাৰা শান্তিৰ স্থায়িত্বৰ নিশ্চয়তা প্ৰদান কৰিব পৰা যাব। ৰাষ্ট্ৰৰ ভৌগোলিক পৰিসীমাৰ বাহিৰত বহুৰাষ্ট্ৰীয় নিগমৰ দৰে বেচৰকাৰী কাৰক (non-governmental actor) আৰু জনসাধাৰণৰ আন্দোলনক জড়িত কৰি বৰ্ধিত হাৰত হোৱা যোগাযোগ আৰু জোঁটবন্ধনত এনে সম্প্ৰদায়ৰ বীজ নিহিত হৈ আছে। এই পদ্ধতিৰ প্ৰৱৰ্তকসকলে যুক্তি দৰ্শায় যে চলিত বিশ্বায়ন প্ৰক্ৰিয়াই ৰাষ্ট্ৰৰ ইতিমধ্যে কমি অহা গুৰুত্ব আৰু সাৰ্বভৌমত্ব অধিক হ্ৰাস

কৰিব ধৰিছে আৰু এইদৰে বিশ্বশান্তি প্ৰতিষ্ঠাৰ বাবে সুচল পৰিৱেশৰ সৃষ্টি কৰিছে।

ৰাষ্ট্ৰসংঘ এই তিনিওটা পদ্ধতিৰ উপাদান লৈ গঠিত হৈছে বুলি ক'ব পাৰি। স্থায়ী সদস্যপদ আৰু পাঁচখন আধিপত্য থকা ৰাষ্ট্ৰৰ ভেটো ক্ষমতা (আন সদস্য সকলে সমৰ্থন জনালেও কোনো প্ৰস্তাৱ নাকচ কৰিব পৰা অধিকাৰ) থকা নিৰাপত্তা পৰিষদে আন্তঃৰাষ্ট্ৰীয় অধিক্ৰমক প্ৰতিফলিত কৰে। অৰ্থনৈতিক আৰু সামাজিক পৰিষদে বিভিন্ন ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ উৎকৰ্ষ সাধন কৰে। মানৱ অধিকাৰ আয়োগে আন্তৰ্জাতিক নীতিক ৰূপ দিবলৈ আৰু প্ৰয়োগ কৰিবলৈ বিচাৰে।

## 9·6 সমসাময়িক প্ৰত্যাহ্বানসমূহ (Contemporary Challenges)

ৰাষ্ট্ৰসংঘই বিভিন্ন ক্ষেত্ৰত সাফল্য অৰ্জন কৰিলেও ই শান্তিৰ প্ৰতি থকা ভাবুকিসমূহক বাধা দিবলৈ আৰু নিঃশেষ কৰিবলৈ সমৰ্থ হোৱা নাই। ইয়াৰ পৰিৱৰ্তে আধিপত্য থকা ৰাষ্ট্ৰসমূহে নিজৰ সৰ্বোচ্চতা সাব্যস্ত কৰিছে আৰু নিজৰ ধাৰণা আৰু প্ৰয়োজন অনুসৰি আঞ্চলিক ক্ষমতাৰ গাঁথনি আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাক গঢ় দি লৈছে। উদ্দেশ্য সাধনৰ বাবে তেওঁলোকে আনকি বিদেশী ভূ-খণ্ডত প্ৰত্যক্ষভাৱে সামৰিক আক্ৰমণ চলোৱা আৰু দখল কৰাৰ দৰে কাৰ্যও কৰিছে। শেহতীয়াভাৱে আফগানিস্তান আৰু ইৰাকত আমেৰিকাৰ হস্তক্ষেপ এনে ধৰণৰ কাৰ্যৰ জ্বলন্ত উদাহৰণ। এনেকুৱা যুদ্ধৰ পৰিণামস্বৰূপে অসংখ্য লোকৰ প্ৰাণহানি হৈছে।

> **আমি কৰো আহা**
>
> এটা প্ৰতীকেৰে শান্তিৰ পুৰস্কাৰ এটাৰ পৰিকল্পনা কৰা। কেনে ধৰণৰ প্ৰতীকে তুমি বুজি পোৱা ধৰণেৰে 'শান্তি' শব্দটোক আটাইতকৈ ভালকৈ প্ৰতিফলিত কৰিব? এই পুৰস্কাৰটো তুমি কাক দিব বিচাৰিবা আৰু কিয়?

আক্ৰমণাত্মক ৰাষ্ট্ৰসমূহৰ স্বাৰ্থপৰ আৰু অপটু আচৰণেই সন্ত্ৰাসবাদ সৃষ্টিৰ এটা প্ৰধান কাৰণ। বৰ্তমান সন্ত্ৰাসবাদীসকলে সঘনে আধুনিক অস্ত্ৰ আৰু উন্নত প্ৰযুক্তিৰ দক্ষতাপূৰ্ণ আৰু নিষ্ঠুৰভাৱে কৰা ব্যৱহাৰ শান্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। 2001 চনৰ 9 ছেপ্টেম্বৰত মুছলমান উগ্ৰপন্থীয়ে বিশ্ব বাণিজ্য কেন্দ্ৰ (নিউইয়ৰ্ক, আমেৰিকা যুক্তৰাষ্ট্ৰ) ধ্বংস কৰা কাৰ্যই অতি দুৰ্দশাপূৰ্ণ বাস্তৱৰ কথাকে প্ৰকাশ কৰিছে। এই গোটসমূহে ব্যৱহাৰ কৰা গণবিধ্বংসী জৈৱিক, ৰাসায়নিক আৰু আণৱিক অস্ত্ৰসমূহে সম্ভাব্য ভয়াৱহতাকে প্ৰতিপন্ন কৰে।

বিশ্ব সম্প্ৰদায়ে প্ৰভাৱশালী শক্তিসমূহৰ লালসা আৰু সন্ত্ৰাসবাদীসকলৰ গেৰিলা কৌশল (Guerrilla tactics) কৰ্তন কৰিবলৈ সক্ষম হোৱা নাই। ই প্ৰায়ে সম্পূৰ্ণ গোষ্ঠী এটাক সুসংবদ্ধভাৱে ধ্বংস কৰা গণহত্যাৰো নীৰৱ দৰ্শক হৈ থাকে। আফ্ৰিকাৰ এখন দেশ ৰুৱাণ্ডাত 1994 চনত প্ৰায় 5 লাখ টাট্‌চি লোকক হুটুসকলে হত্যা কৰা কাৰ্যই এনে ধৰণৰ ঘটনাৰ প্ৰমাণ দাঙি ধৰে। হত্যা কাৰ্য আৰম্ভ হোৱাৰ আগেয়ে সেই বিষয়ে গোপন তথ্য লাভ কৰা সত্ত্বেও আৰু তাৰ পিছত আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমে এই গণহত্যাৰ বিষয়ে বিস্তৃতভাৱে প্ৰকাশ কৰাৰ পিছতো কোনো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় হস্তক্ষেপ হোৱা নাছিল। ৰাষ্ট্ৰসংঘই ইয়াৰ শান্তিৰক্ষী বাহিনীক ৰুৱাণ্ডাত নৰসংহাৰ বোধ কৰিবলৈ কৰ্তৃত্ব দিবলৈ অস্বীকাৰ কৰিছিল।

ইয়াৰ অৰ্থ এনে নহয় যে শান্তি প্ৰতিষ্ঠাৰ কোনো সম্ভাৱনা নাই। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত জাপান আৰু ক'ষ্টাৰিকাৰ দৰে দেশে সামৰিক বাহিনীক ৰক্ষণা বেক্ষণ নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। পৃথিৱীৰ বিভিন্ন অংশ আণৱিক অস্ত্ৰমুক্ত এলেকা হিচাপে ঘোষণা কৰি তাত আন্তঃৰাষ্ট্ৰীয় চুক্তি এখনৰ দ্বাৰা আণৱিক অস্ত্ৰৰ ব্যৱহাৰ, বিকাশ আৰু প্ৰয়োগ নিষিদ্ধ কৰা হৈছিল। বৰ্তমান এণ্টাৰ্কটিকা অঞ্চল, লেটিন আমেৰিকা আৰু পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ, দক্ষিণ-পূব এছিয়া, আফ্ৰিকা, দক্ষিণ প্ৰশান্ত মহাসাগৰ আৰু মঙ্গোলিয়া— এই ছটা অঞ্চল আণৱিক অস্ত্ৰ মুক্ত কৰা হৈছে বা কৰাৰ প্ৰক্ৰিয়া চলি আছে। 1991 চনত ছোভিয়েট ৰাছিয়াৰ ভাঙোনে বৃহৎ শক্তিসমূহৰ মাজৰ শত্ৰুতাৰ সামৰিক যুগৰ (বিশেষকৈ আণৱিক যুগৰ) অৱসান ঘটাই আন্তঃৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি থকা এটা প্ৰধান ভাবুকি আঁতৰ কৰিছে।

> **আমি যুক্তি দৰ্শাও আহা!**
>
> বৰ্তমান পৃথিৱীত আণৱিক অস্ত্ৰৰ উপস্থিতিয়ে যুদ্ধ বা বাধা প্ৰদান কৰাত অৰিহনা যোগাইছে

ইয়াৰ উপৰি সমসাময়িক যুগত শান্তিৰ পৃষ্ঠপোষকতা কৰিবলৈ জনসাধাৰণৰ উদ্যোগত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। এইবোৰক প্ৰায়ে সামগ্ৰিকভাৱে শান্তি আন্দোলন বুলি কোৱা হয়। প্ৰথম বিশ্বযুদ্ধৰ পিছত হোৱা ধ্বংসলীলাই এনে আন্দোলনক অধিক তৎপৰ কৰি তুলিছে। তেতিয়াৰ পৰাই ই গতিশীলতা লাভ কৰিলে আৰু ভৌগোলিক আৰু ৰাজনৈতিক পৰিসীমাৰ বাহিৰত বহুতো অনুগামী লাভ কৰিলে। শ্ৰমিক, লিখক, বিজ্ঞানী, শিক্ষক, সংবাদসেৱী, পুৰোহিত আৰু ৰাজনীতিজ্ঞ আদি বিভিন্ন ক্ষেত্ৰৰ লোকৰ সমৰ্থনে এই আন্দোলনটোক তিষ্ঠি

থকাত সহায় কৰিছে। বৰ্তমান ই বিস্তাৰ লাভ কৰিছে আৰু মহিলা সবলীকৰণ, পৰিৱেশ সুৰক্ষা আদি আন্দোলনৰ পৃষ্ঠপোষকসকলৰ লগত পাৰস্পৰিক উপকাৰ হ'ব পৰা ধৰণৰ সম্পৰ্ক ৰক্ষা কৰি অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। আন্দোলনটোৱে শান্তি অধ্যয়ন নামৰ জ্ঞানৰ এটা নতুন শাখা সৃষ্টি কৰিছে আৰু ইণ্টাৰনেটৰ দৰে নতুন যোগাযোগৰ মাধ্যমসমূহ ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিছে।

এই অধ্যয়টোত আমি শান্তিৰ বিভিন্ন দিশ, ইয়াৰ অৰ্থ, ই সন্মুখীন হোৱা বৌদ্ধিক আৰু ব্যৱহাৰিক প্ৰত্যাহ্বানসমূহ আৰু ইয়াৰ ভৱিষ্যৎ সম্ভাৱনা সম্পৰ্কে অধ্যয়ন কৰি দেখিলো যে শান্তিৰ অন্বেষণৰ বাবে কৰা কাৰ্যসমূহৰ দ্বাৰা মানুহৰ মংগল আৰু বিকাশৰ বাবে সমন্বয়পূৰ্ণ সামাজিক সম্পৰ্ক সৃষ্টি আৰু পোষণ কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাই থকা হয়। অন্যায়ৰ পৰা আৰম্ভ কৰি সাম্ৰাজ্যবাদলৈকে বিভিন্ন প্ৰতিবন্ধকে শান্তিৰ পথ ৰুদ্ধ কৰিব পাৰে। কিন্তু এইবোৰ আঁতৰ কৰিবলৈ বাছ-বিচাৰ নোহোৱাকৈ হিংসাৰ প্ৰয়োগ কৰাৰ তাড়না অনৈতিক কাৰ্য হোৱাৰ লগতে অতি বিপজ্জনকো। বৰ্তমান গণহত্যা, সন্ত্ৰাসবাদ আৰু পূৰ্ণ যুদ্ধই অসামৰিক লোক আৰু যুদ্ধৰ লগত জড়িত লোকৰ মাজৰ সীমাৰেখাডাল অস্পষ্ট কৰি তোলা যুগত, শান্তিৰ বাবে কৰা সন্ধানে ৰাজনৈতিক কাৰ্যৰ উপায় আৰু লক্ষ্যৰ বিষয়ে জনাব লাগিব।

Daily Assam

# ? অনুশীলনী

1। শান্তিপূৰ্ণ পৃথিৱী এখন প্ৰতিষ্ঠা কৰিব লাগিলে মানুহৰ চিন্তাধাৰাৰ পৰিৱৰ্তন ঘটাব লাগিব বুলি তুমি ভাবা নে? মানে শান্তি প্ৰতিষ্ঠা কৰিব পাৰেনে আৰু কেৱল মানুহৰ মনৰ ওপৰত আলোকপাত কৰাটোৱে যথেষ্ট নে?

2। এখন ৰাষ্ট্ৰই নাগৰিকৰ জীৱন আৰু অধিকাৰৰ নিৰাপত্তা দিবই লাগিব। কিন্তু কিছুমান সময়ত ইয়াৰ নিজৰ কাৰ্যই কিছুমান নাগৰিকৰ বিৰুদ্ধে হিংসাৰ উৎস হৈ পৰে। কেইটামান উদাহৰণৰ সহায়ত মন্তব্য দিয়া।

3। স্বাধীনতা, সমতা আৰু ন্যায় থাকিলেহে প্ৰকৃত অৰ্থত শান্তি পাব পৰা যায়। তুমি কথাষাৰ সমৰ্থন কৰানে?

4। হিংসাৰ জৰিয়তে সুদূৰপ্ৰসাৰী ন্যায়ৰ লক্ষ্যত উপনীত হ'ব পৰা নাযায়। এই উক্তিটোৰ বিষয়ে তুমি কি ভাবা?

5। এই অধ্যায়টোত আলোচনা কৰা পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ থকা প্ৰধান পদ্ধতিকেইটাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

Daily Assam